# নাৰ্চাৰী পুখুৰীত পোনা প্ৰতিপালনৰ দিহা

কাৰ্প জাতীয় মাছৰ (বিশেষকৈ ৰৌ, মিৰিকা, ভকুৰা, কমনকাৰ্প, চিলভাৰ কাৰ্প আৰু গ্ৰাছ কাৰ্প) পালনেই আটাইতকৈ বহুলভাৱে সমাদৃত আৰু সম্প্ৰসাৰিত হৈ আহিছে। সেয়ে কাৰ্পজাতীয় মাছৰ পোনা প্ৰতিপালনৰ কথাই আলোচনা কৰিবলৈ লোৱা হৈছে।

কণী ফুটি ওলোৱাৰ পিছতেই পোৱা ক্ষুদ্ৰ পোনা বা ‘স্পন’ (৮ মি.মি. বা তাতকৈ কম দৈৰ্ঘ্যৰ) বোৰ প্ৰায় ১৫-২০ দিনলৈ নাৰ্চাৰী পুখুৰীত পালন কৰি ফ্ৰাই অৱস্থালৈ (২৫-৩০ মি.মি. প্ৰায় এক ইঞ্চি) ডাঙৰ কৰা হয়। এই অৱস্থাত ক্ষুদ্ৰ পোনাবোৰ যথেষ্ট সংবেদনশীল আৰু সেয়ে পোনা প্ৰতিপালন কৰোতে যথেষ্ট সতৰ্কতাৰ প্ৰয়োজন। তলত ১ কঠা (০.০২৬ হেক্টৰ) পানী কালিৰ নাৰ্চাৰী পুখুৰীত পোনা প্ৰতিপালনৰ ব্যৱস্থাৱলী সংক্ষেপে বৰ্ণনা কৰা হ’ল।

**(ক) পোনা মেলাৰ আগতে ল’ব লগা ব্যৱস্থা ঃ**

(১) নাৰ্চাৰী পুখুৰী প্ৰস্তুতকৰণ ঃ

- নাৰ্চাৰী পুখুৰী সাধাৰণতে আয়তাকাৰ, ১০০-৫০০ বৰ্গমিটাৰ আৰু গভীৰতা ১-১.৫ মিটাৰ হ’ব লাগে। খৰালি পুখুৰীৰ তলি শুকাই যোৱা হ’লে ভাল।
- জলজ অপতৃণবোৰ আতৰাই পেলাব লাগে।
- মাংসহাৰী মাছ (যেনে শ’ল, বৰালি ইত্যাদি) আৰু অন্যান্য মাছবোৰ বাৰে বাৰে জাল মাৰি আতৰাই ল’ব লাগে।
- সম্ভৱ হ’লে পানীৰ পি.এইচ. নিৰ্ণয় কৰি চূণ প্ৰয়োগ কৰিব লাগে। পি.এইচ. পৰীক্ষা কৰাৰ সুবিধা নাথাকিলে প্ৰতি কঠা পানী কালিৰ পুখুৰীত ৬-৮ কি.গ্ৰা. খোৱা চূণ প্ৰয়োগ কৰিব লাগে। চূণখিনি এটা পাত্ৰত গলাই ঠাণ্ডা হোৱাৰ পিছত পুখুৰীত সমভাৱে ছটিয়াই দিব লাগে।
- চূণ প্ৰয়োগৰ ৭ দিনৰ পিছত গৰুৰ কেঁচা গোবৰ ২৫০-৩০০ কি.গ্ৰা. প্ৰয়োগ কৰিব লাগে। গোটেইখিনি গোবৰ এবাৰতে প্ৰয়োগ নকৰি আধা পৰিমাণ পোনা মেলাৰ ১৫ দিন আগত আৰু বাকীখিনি পোনামেলাৰ ৭ দিন পিছত প্ৰয়োগ কৰিলে ভাল ফল পোৱা যায়। দ্বিতীয়বাৰ প্ৰয়োগ কৰোতে গোবৰখিনি পুখুৰীৰ চাৰিটা চুকত দমাই থ’ব লাগে।
- সম্ভৱস্থলত ঘন জালৰ সহায়ত জলজ কীট-পতঙ্গবোৰ আতৰ কৰিব লাগে। অন্যথা ক্ষুদ্ৰপোনা মেলাৰ ১২-১৪ ঘন্টাৰ আগেয়ে ১.৫ লিটাৰ মিঠাতেলৰ লগত ০.৫ কি.গ্ৰা. সস্তীয়া চাবোন মিহলাই অলপ তাপ দি পুখুৰীৰ উপৰিভাগত সৃষ্টি হোৱা চামনিয়ে পোক-পতঙ্গৰ শ্বাস-প্ৰশ্বাসত বাধা দি মৃত্যুমুখত পেলায়।

**(খ) পোনা মেলা সময়ত ল’ব লগা ব্যৱস্থা ঃ**

- কোনো পৰিচিত হেচ্চাৰীৰ পৰা স্বাস্থ্যবান ক্ষুদ্ৰপোনাহে সংগ্ৰহ কৰিব লাগে। অক্সিজেনযুক্ত পলিথিন বেগত অনা পোনাবোৰ পোচছাটেই পুখুৰীত এৰি দিব নালাগে। বেগটো পুখুৰীত আধালৈকে ডুব যোৱাকৈ কিছুসময় ৰাখিব লাগে যাতে বেগৰ পানীৰ উষ্ণতা পুখুৰীৰ পানীৰ সৈতে একে হয়। পিছত বেগবোৰ খুলি পোনাবোৰ স্বতঃস্ফূৰ্তভাৱে ওলাই যাবলৈ দিব লাগে। এনে কৰিলে মাছৰ মৃত্যুৰ হাৰ কমে।
- প্ৰতি কঠাত পোনা এৰাৰ নিৰিখ ৬৫,০০০-১০০,০০০।
- পোনাবোৰ একে স্থানতে এৰি নিদি পুখুৰীৰ বিভিন্ন স্থানত এৰিব লাগে।
- পোনা এৰাৰ উপযুক্ত সময় হ’ল পুৱা বা গধূলি।

**(গ) পোনা মেলাৰ পিছত ল'ব লগা ব্যৱস্থা ঃ**

- নাৰ্চাৰী পুখুৰীত পোনা মেলাৰ পিছত পৰিপূৰক খাদ্য হিচাপে ভালদৰে গুড়ি কৰি লোৱা সৰিয়হৰ খলিহৈ আৰু চাউলৰ মল ১ঃ১ অনুপাতত মিহলাই পুখুৰীৰ পানীৰ উপৰিভাগত ছটিয়াই দিব লাগে। তলত পৰিপূৰক খাদ্য (খলিহৈ আৰু চাউলৰ মল - ১ঃ১) যোগানৰ এখন তালিকা দিয়া হ'ল।

| সময় | খাদ্যৰ যোগান (১ লাখ পোনাৰ বাবে) |
|---|---|
| ১-৫ দিন | ২৮০ গ্ৰাম / দিন |
| ৬-১০ দিন | ৪২০ গ্ৰাম / দিন |
| ১১-১৫ দিন | ৫৬০ গ্ৰাম / দিন |

দৈনিক দিবলগীয়া মুঠ খাদ্য দুভাগত ভাগ কৰি ৰাতিপুৱা এবাৰ আৰু আবেলি এবাৰ দিব লাগে।
শুকান পোত পতঙ্গৰ গুড়ি, পাত-মুগাৰ পলুৰ গুড়ি, বাদামৰ খলিহৈ, শুকান মাছৰ গুড়ি আদিও অতিৰিক্ত পৰিপূৰক খাদ্য হিচাপে যোগান ধৰিব পাৰি।

- **খাদ্য প্ৰস্তুতকৰণ প্ৰক্ৰিয়া ঃ** প্ৰতিদিনে দিব লগা খাদ্যখিনি ওজন কৰি অলপ পানীৰে সৈতে সিজাই ল'ব লাগে। খাদ্যখিনি চেঁচা হোৱাৰ পিছত পাৰিলে ভিটামিন আৰু মনিকৰ মিশ্ৰণ এচামুচ মিহলাই দিলে ভাল ফল পাব পাৰি। এগ্ৰিমিন নামৰ ভিটামিন মিশ্ৰণ অথবা ক'বাল্ট ক্ল'ৰাইড প্ৰতিটো পোনাৰ বাবে ০.০১ মি.গ্ৰা./দিন হিচাপত দিব লাগে।
- নাৰ্চাৰী পুখুৰীত খাদ্যৰ অভাৱ, পানীৰ ভৌত-ৰাসায়নিক গুণৰ হীনডেঢ়ী, জলজ কীট পতঙ্গৰ আক্ৰমণ, বেমাৰ আজাৰৰ প্ৰাদুৰ্ভাৱ আদি বিভিন্ন কাৰণত পোনবোৰৰ মৃত্যুও হ'ব পাৰে। সেয়ে এইবোৰৰ পৰা হাত সাৰিবলৈ অভিজ্ঞ লোকৰ সহায়ত উপযুক্ত ব্যৱস্থা ল'ব লাগে।
- **ফ্ৰাই সংগ্ৰহ ঃ** নাৰ্চাৰী পুখুৰীত ১৫-২০ দিন পালন কৰাৰ পিছত ক্ষুদ্ৰপোনাবোৰ ফ্ৰাই অৱস্থা পায় আৰু তেতিয়াই ইঁহতক সংগ্ৰহ কৰি বিক্ৰীৰ ব্যৱস্থা কৰা হয়। নতুবা ফিংগাৰলিং আকাৰলৈ (১০-১৫ ছে.মি.) আকৌ ২ মাহমান ফ্ৰাই পালন কৰা পুখুৰীত ৩-৪ বাৰ ফ্ৰাই উৎপাদন কৰি যথেষ্ট আৰ্থিক উপাৰ্জন কৰিব পাৰি।
  মন কৰিবলগীয়া কথা হ'ল যে ফ্ৰাইবোৰ সংগ্ৰহ কৰাৰ আগদিনা পৰিপূৰক খাদ্য যোগান বন্ধ কৰি দিব লাগে আৰু ঘন জালৰ সহায়ত আলসুৱাকৈ ৰাতিপুৱাতে ধৰি স্থানান্তৰ কৰিব লাগে।

**আৰ্থিক লাভ ঃ**

১ কঠা পানী কালিৰ নাৰ্চাৰী পুখুৰীত পোনা প্ৰতিপালন কৰি প্ৰতি ১৫-২০ দিনৰ মূৰত অতিকমেও ৫০০০.০০ টকা আয় কৰিব পাৰি (সকলো খৰচ বাদ দি)।

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫ ০১৩)**